# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-02-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰখনত ভাৰতৰ অগ্ৰগতিক বিশ্বই ভূয়সী প্ৰশংসা কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ভাৰতে সুকীয়া পৰিচয় গঢ়িবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ জনসাধাৰণ নতুন প্ৰযুক্তি গ্ৰহণ আৰু ইয়াৰ ব্যৱহাৰৰ প্ৰতি সদায় আগ্ৰহী। পেৰিচত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা সন্মিলনত অংশগ্ৰহণ কৰাৰ অভিজ্ঞতা ব্যক্ত কৰি প্ৰধানমন্ত্ৰীয়ে এই কথা উল্লেখ কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু মহাকাশ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ বৰ্ধিত অংশগ্ৰহণে অভূতপূৰ্ব পৰিৱৰ্তনৰ সূচনা কৰিছে বুলি তেওঁ উল্লেখ কৰে। বিগত মাহটোত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোৱে ১০০ সংখ্যক ৰকেট উৎক্ষেপণ কৰা কাৰ্যত তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১০ বছৰত দেশে নিজৰ লগতে অন্য দেশৰো প্ৰায় ৪৬০টা উপগ্ৰহ প্ৰেৰণ কৰিবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশ বিজ্ঞানীৰ দলত মহিলাৰ সংখ্যা বৃদ্ধি পোৱা বিষয়ত সন্তোষ প্ৰকাশ কৰে। বৰ্তমান মহাকাশ ক্ষেত্ৰখন যুৱ প্ৰজন্মৰ প্ৰিয় বিষয় হৈ পৰা কথাটোৱে শ্ৰীমোদীক আনন্দিত কৰা বুলিও তেওঁ উল্লেখ কৰে।

শ্ৰীমোদীয়ে এই অনুষ্ঠানত ৮ মাৰ্চৰ আন্তৰ্ৰাষ্ট্ৰীয় নাৰী দিৱসৰ প্ৰসংগ উল্লেখ কৰি এই দিনটো নাৰী শক্তিক প্ৰণাম জনোৱাৰ এটা বিশেষ দিন বুলি মন্তব্য কৰে। ভাৰতীয় সংস্কৃতিত কন্যা সন্তানক সন্মান জনোৱাটো অন্যতম পৰম্পৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশৰ স্বাধীনতা আন্দোলনত মাতৃ শক্তিয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰাৰ লগতে সংবিধান প্ৰস্তুত কৰাৰ ক্ষেত্ৰতো বৰঙণি আগবঢ়াইছে। তেওঁ সংবিধান সভাত ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত কৰা সময়ৰ হাংসা মেহতাৰ এটা শ্ৰব্য বাৰ্তাও প্ৰচাৰ কৰে।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানত উত্তৰাখণ্ডত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বিষয়েও উল্লেখ কৰি কয়, যে দেশৰ এঘাৰ হাজাৰতকৈও অধিক খেলুৱৈয়ে এই ক্ৰীড়া সমাৰোহত অপূৰ্ব ক্ৰীড়া শৈলী প্ৰদৰ্শন কৰিছিল। আজিৰ অনুষ্ঠানত শ্ৰীমোদীয়ে মেদবহুলতাৰ প্ৰসংগ উত্থাপন কৰি কয়, যে বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ২০২২ চনৰ বছৰটোত বিশ্বৰ প্ৰায় ২৫০ কোটি লোক মেদবহুলতাৰ সমস্যাৰ সন্মুখীন হৈছে। তেওঁ মেদবহুলতা ৰোধ কৰিবলৈ খাদ্যাভাসত পৰিৱৰ্তন আনিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বন্যপ্ৰাণী সংৰক্ষণৰ লগতে দেশৰ অনুকূল পৰিৱেশ তন্ত্ৰৰ বিষয়ে উল্লেখ কৰে। তেওঁ এই অনুষ্ঠানতে পৰীক্ষাৰ্থীসকলক মানসিক চাপ অবিহনে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত অনুষ্ঠানৰ এয়া আছিল ১১৯ সংখ্যক খণ্ড। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰে। আমাৰ কেন্দ্ৰই আজি নিশা ৮ বজাত এই অনুষ্ঠানটো পুনৰ প্ৰচাৰ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি নিশা ৮ বজাৰ মুখ্য বাতৰি প্ৰচাৰিত নহয়।

00000

দিশপুৰত আজি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকে এডভাণ্টেজ আচাম দ্বিতীয় সংস্কৰণৰ সময়ত বুজাবুজিৰ চুক্তি অনুমোদন, ৰাজ্যৰ  বস্ত্ৰ উদ্যোগৰ সৰলীকৰণ, চিকিৎসা বৃত্তিধাৰীৰ বাবে দি এ চি পি আঁচনি আদিকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ   বৈঠকত অনুমোদন জনোৱা হয়। বৈঠকৰ অন্তত অনুষ্ঠিত সংবাদমেলযোগে এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৪ টা পৰ্যায়ত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। মন্ত্ৰীসভাৰ বৈঠকত মুঠ ২১৪ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিবলৈ অনুমোদন জনোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ আন্তগাথনি উন্নয়নৰ বাবে মন্ত্ৰীসভাৰ বৈঠকত ৫৫ কোটি টকাৰ অনুমোদন জনোৱা হয়। ডিব্ৰুগড়ৰ আমোলাপট্টিৰ উৰণ সেঁতুৰ নিৰ্মাণৰ বাবে ১৫৭ কোটি টকা অনুমোদন জনোৱা হয় বুলি তেওঁ প্ৰকাশ কৰে।

00000

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান ঝুমইৰ বিনন্দিনীৰ অন্তিম আখৰা আজি অনুষ্ঠিত হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে আজিৰ অন্তিম আখৰাত উপস্থিত থাকে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনৰ উদ্দেশ্যে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৩৫০ গৰাকী অতিথিৰ উপস্থিতিত ঝুমইৰ বিনন্দিনী অনুষ্ঠান আয়োজিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত আজি আহিবলগীয়া বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তৰ প্ৰতিনিধি দলে ঝুমুৰ নৃত্য উপভোগ কৰিব। ঝুমইৰ বিনন্দিনী অনুষ্ঠান ৮০০ খন চাহ বাগিছাত প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ বাবে চাহ বাগিছা কেইখনত এল ই ডি স্ক্ৰীনৰ ব্যৱস্থা কৰা হৈছে।

00000

যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ ১৯৬৫ৰ পৰা ৭৩ বৰ্ষৰ প্ৰাক্তন ছাত্ৰ গোটৰ উদ্যোগত আজি ৰংদৈ উচ্চ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া চিকিৎসা কাৰ্যসূচী সম্পন্ন হয়। গোটটোৰ কেইবাগৰাকীও চিকিৎসকে ১৫০ গৰাকীৰো অধিক ৰোগীৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰে। ৰোগীসকলক বিনামূলীয়াকৈ ঔষধো আগবঢ়োৱা হয়।

00000

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা সাহিত্য একাডেমী বঁটা বিজয়ী ড০ নগেন শইকীয়াৰ পত্নী লাৱণ্য শইকীয়াৰ আজি পুৱা ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। ডিব্ৰুগড়ৰ  সৰবৰহী মহিলা লাৱণ্য শইকীয়াৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

00000

সমাপ্ত